**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-06-2024
**Time :** 19-10 Hrs.

***Assamese Evening Bulletin***

১। ৰেলৱে বোৰ্ডৰ অধ্যক্ষ জয়া বাৰ্মাই পশ্চিমবংগত আজি পুৱা কাঞ্চনজংঘা এক্সপ্ৰেছ আৰু এখন মালবাহী ৰে'লৰ মাজত দুৰ্ঘটনা সংঘটিত হোৱা অঞ্চলত উদ্ধাৰকাৰ্য সম্পন্ন হোৱা বুলি প্ৰকাশ কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দেশৰ প্ৰায় ১০ কোটি কৃষকলৈ পি এম কিষাণ আঁচনিৰ ১৭ সংখ্যক কিস্তিৰ ২০ হাজাৰ কোটি টকাতকৈও অধিক ধনৰাশি আনুষ্ঠানিকভাৱে মোকলাই দিব।

৩। সমাগত মহাৰাষ্ট্ৰ, ঝাৰখণ্ড, হাৰিয়ানা আৰু জম্মু কাশ্মীৰ বিধানসভা নিৰ্বাচনৰ বাবে বিজেপিয়ে ৰাজ্যিক নিৰ্বাচনী প্ৰভাৰী আৰু সহ প্ৰভাৰী নিযুক্তি দিছে।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা জেক চুলিভানে আজি নতুন দিল্লীত কেন্দ্ৰীয় বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰ আৰু ভাৰতৰ ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত দোভালৰ সৈতে বৈঠকত মিলিত হয়।
*আৰু*

৫। আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি নিউজিলেণ্ড পাপুৱা নিউ গিনিৰ বিৰুদ্ধে অৱতীৰ্ণ হব।

০০০

ৰেলৱে বোৰ্ডৰ অধ্যক্ষ জয়া বাৰ্মাই পশ্চিমবংগত আজি পুৱা কাঞ্চনজংঘা এক্সপ্ৰেছ আৰু এখন মালবাহী ৰে'লৰ মাজত দুৰ্ঘটনা সংঘটিত হোৱা অঞ্চলত উদ্ধাৰকাৰ্য সম্পন্ন হোৱা বুলি প্ৰকাশ কৰিছে। সংবাদ মাধ্যমক শ্ৰীবাৰ্মাই জনোৱা অনুসৰি দুৰ্ঘটনাটোত ৩ গৰাকী ৰেলকৰ্মীকে ধৰি ৮ জন লোকে প্ৰাণ হেৰুৱাইছে। তেওঁ লগতে ছিগনেল পোৱাৰ আগেয়ে মালবাহী ৰে'লখন ৰাওনা কৰোৱা লকো পাইলটগৰাকীৰো ঘটনাস্থলীতে মৃত্যু হোৱা বুলি জানিবলৈ দিয়ে। মালবাহী ৰেলখনৰ সহকাৰী চালক আৰু কাঞ্চনজংঘা এক্সপ্ৰেছৰ গাৰ্ডগৰাকীৰো দুৰ্ঘটনাত মৃত্যু হোৱা বুলি শ্ৰীবাৰ্মাই প্ৰকাশ কৰে। দুৰ্ঘটনাটোত আঘাতপ্ৰাপ্তসকলক ওচৰৰে উত্তৰ বংগ চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰোৱা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে। দুৰ্ঘটনা সম্পৰ্কীয় তথ্যৰ বাবে ৰে'ল বিভাগে বিভিন্ন স্থানত হেল্প ডেস্ক স্থাপন কৰিছে। শিয়ালদহ ষ্টেচনৰ বাবে হেল্পলাইন নম্বৰ হৈছে - ০৩৩-২৩৫০৪৭৯৪, ০৩৩-২৩৪৩৩৩২৬। আলোৱাবাৰী ৰোড জৰুৰীকালীন নম্বৰ - ৮১৭০০-৩৪২৩৫, কিষাণগঞ্জৰ ৭৫৪২০-২৮০২০, ডালখোলাৰ ৮১৭০০-৩৪২২৮, বাৰছ'ইৰ - ৭৫৪১৮-০৬৩৫৮, ছামছিৰ জৰুৰীকালীন নম্বৰ হৈছে - ০৩৫১৩-২৬৫৬৯০।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পশ্চিমবংগত সংঘটিত ৰে'ল দুৰ্ঘটনাটোত গভীৰ শোক প্ৰকাশ কৰিছে। এটা শোকবাৰ্তাত ৰাষ্ট্ৰপতিয়ে কয় যে এই ঘটনা অতি দুখজনক আৰু তেওঁৰ সমবেদনা তথা প্ৰাৰ্থনা শোকসন্তপ্ত পৰিয়ালবৰ্গৰ সৈতে আছে।

ৰাষ্ট্ৰপতিয়ে আহতসকলৰ শীঘ্ৰেই আৰোগ্য কামনা কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই দুৰ্ঘটনাত প্ৰিয়জনক হেৰুওৱা প্ৰতিটো পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহতসকলৰ আশু-আৰোগ্য কামনা কৰে। প্ৰধানমন্ত্ৰীয়ে পৰিস্থিতিৰ বুজ লোৱাৰ উদ্দেশ্যে বিষয়াসকলৰ সৈতে বাৰ্তালাপ কৰে। শ্ৰী মোদীয়ে প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা প্ৰতিগৰাকী নিহতৰ নিকটাত্মীয়লৈ ২ লাখ টকা আৰু আহতসকললৈ ৫০ হাজাৰ টকাৰ এককালীন সাহায্যৰ বিষয়েও ঘোষণা কৰিছে। আনহাতে, ভাৰতীয় ৰেলৱে এই দুৰ্ঘটনাত নিহতসকলৰ নিকটআত্মীয়লৈ ১০ লাখ, গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত সকললৈ আঢ়ৈ লাখ আৰু অন্যান্য আহতসকললৈ ৫০ হাজাৰ টকাকৈ এককালীন সাহায্য ঘোষণা কৰিছে।

কাটিহাৰ ৰে'ল সংমণ্ডলৰ প্ৰৱন্ধকে জনোৱা অনুসৰি ৰে'ল দুৰ্ঘটনাটোৰ পৰিপ্ৰেক্ষিতত কাটিহাৰ-নিউজলপাইগুৰি খণ্ডৰ ৰে'ল যাতায়াত প্ৰভাৱিত হৈছে। ডিব্ৰুগড়-নতুন দিল্লী ৰাজধানী এক্সপ্ৰেছ, হাওৰা-নিউ জলপাইগুৰি বন্দে ভাৰত এক্সপ্ৰেছকে ধৰি ২৪খন ৰে'লৰ যাত্ৰাপথ সলনি কৰি নিউ জলপাইগুৰি, শিলিগুড়ি, বাগডোগ্ৰা, আলুৱাবাৰী ৰে'ল শাখাৰ পথেৰে যাতায়াতৰ ব্যৱস্থা কৰা হৈছে। শেহতীয়া তথ্য অনুসৰি সন্ধিয়া ৫ বাজি ৪০ মিনিটৰ পৰা উজনিমুৱা অৰ্থাৎ নিউ জলপাইগুৰিৰ দিশলৈ যোৱা ৰেলসমূহৰ যাতায়ত পুনৰ আৰম্ভ কৰা হৈছে। আনহাতে, নামনিমুৱা ৰেলসমূহৰ চলাচলো সোনকালেই আৰম্ভ কৰা হব বুলি ৰেল সূত্ৰই প্ৰকাশ কৰিছে।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দেশৰ প্ৰায় ১০ কোটি কৃষকলৈ পি এম কিষাণ আঁচনিৰ ১৭ সংখ্যক কিস্তিৰ ২০ হাজাৰ কোটি টকাতকৈও অধিক ধনৰাশি আনুষ্ঠানিকভাৱে মোকলাই দিব। সেই উপলক্ষে উত্তৰ প্ৰদেশৰ বাৰাণসীত পি এম কিষাণ সন্মিলন অনুষ্ঠিত হ'ব। সন্মিলনখনৰ সৈতে সংগতি ৰাখি লাইভ ৱেবকাষ্টৰ জৰিয়তে দেশৰ কেইবাটাও নিৰ্বাচিত স্থানৰ বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে, পি এম কিষাণ আঁচনিৰ অধীনত বৰ্তমানলৈকে দেশৰ এঘাৰ কোটিৰো অধিক কৃষকলৈ ৩ লাখ কোটি টকাৰো অধিক ধনৰাশি মোকলাই দিয়া হৈছে।

০০০

ইছলামধৰ্মী লোকসকলৰ পৱিত্ৰ উৎসৱ ঈদ-উল-আজহা আজি সম্পূৰ্ণ ধৰ্মীয় ৰীতি-নীতিৰে উদযাপন কৰা হৈছে। সমগ্ৰ দেশতে ঈদ উপলক্ষে মছজিদ আৰু ঈদগাহসমূহ সজাই-পৰাই তোলা হৈছে। পুৱাৰ ভাগতে মছজিদ আৰু ঈদগাহসমূহত নামাজ পঢ়াৰ লগতে ইজনে-সিজনক ঈদৰ শুভেচ্ছা জ্ঞাপন কৰে। ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীৰ জামা মছজিদ, ফতেহপুৰ মছজিদ আৰু শ্বাহী ঈদগাহত ঈদৰ মূল কাৰ্যসূচী উদ্‌যাপন কৰা হয়। উল্লেখযোগ্য যে ঈশ্বৰৰ নিৰ্দেশ মানি হজৰত ইব্ৰাহিমে তেওঁৰ একমাত্ৰ পুত্ৰক বলিদান দিয়াৰ স্মৃতিত এই উৎসৱ পালন কৰা হয়।

ঈদ উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ঈদ-উল-আজহাক ত্যাগৰ প্ৰতীক হিচাপে বৰ্ণনা কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, এই উৎসৱে প্ৰেম, ভ্ৰাতৃত্ববোধ আৰু সামাজিক সম্প্ৰীতিৰ বাৰ্তা বহন কৰে। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে এই উৎসৱত ৰাইজক একতা, দয়া আৰু সংহতিৰ মূল্যবোধ সন্দৰ্ভত চিন্তা কৰিবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ

মোদীয়ে এই বিশেষ উৎসৱে সমাজৰ একতা আৰু সম্প্ৰীতিৰ বান্ধোন অধিক কটকটীয়া কৰিব বুলি আশা প্ৰকাশ কৰে।

০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা জেক চুলিভানে আজি নতুন দিল্লীত কেন্দ্ৰীয় বিদেশ মন্ত্ৰী ড০ এছ জয়শংকৰ আৰু ভাৰতৰ ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত দোভালৰ সৈতে বৈঠকত মিলিত হয়। বিদেশ মন্ত্ৰী ড০ জয়শংকৰে জানিবলৈ দিয়া অনুসৰি আজিৰ বৈঠকত দুয়োপক্ষৰ মাজত দ্বিপাক্ষিক, আঞ্চলিক আৰু গোলকীয় বহুকেইটা বিষয়বস্তু সামৰি সামগ্ৰিক পৰ্যালোচনা অনুষ্ঠিত হয়। ভাৰত-আমেৰিকা কৌশলগত অংশীদাৰিত্বই ক্ৰমান্বয়ে দৃঢ়তৰ হৈ আগবাঢ়ি যাব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। দুয়োখন ৰাষ্ট্ৰৰ ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টাদুগৰাকীয়ে আজি জটিল আৰু সদ্য উদ্ভাৱিত প্ৰযুক্তিসমূহৰ উদ্যমৰ দ্বিতীয় বাৰ্ষিক বৈঠকত অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে, আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি জো বাইডেন  আৰু আমাৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২২ চনৰ মে' মাহত দুয়োখন দেশৰ চৰকাৰ, ব্যৱসায়িক আৰু শৈক্ষিক প্ৰতিষ্ঠানসমূহৰ মাজত কৌশলগত প্ৰযুক্তি অংশীদাৰিত্ব আৰু প্ৰতিৰক্ষা ঔদ্যোগিক সহযোগিতাৰ প্ৰসাৰ আৰু বৃদ্ধিৰ বাবে জটিল আৰু সদ্য উদ্ভাৱিত প্ৰযুক্তিসমূহৰ আমেৰিকা-ভাৰত উদ্যমৰ ঘোষণা কৰিছিল।

০০০

মণিপুৰৰ নিৰাপত্তা পৰিস্থিতিৰ পৰ্যালোচনাৰ বাবে নতুন দিল্লীত আজি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সভাপতিত্বত এখন উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হয়। কেন্দ্ৰীয় গৃহ সচিব অজয় ভল্লা, চোৰাংচোৱা ব্যুৰোৰ মুৰব্বী তপন ডেকা , সেনাপ্ৰধান জেনেৰেল মনোজ পাণ্ডে , নৱমনোনীত সেনাপ্ৰধান জেনেৰেল উপেন্দ্ৰ দ্বিবেদী , মণিপুৰৰ ডিজিপি ৰাজীৱ সিংকে ধৰি অন্যান্য জ্যেষ্ঠ বিষয়াসকলে অংশগ্ৰহণ কৰিছে।

আনহাতে, কালি শ্ৰীশ্বাহৰ সভাপতিত্বত জম্মু-কাশ্মীৰৰ নিৰাপত্তা পৰিস্থিতিৰ পৰ্যালোচনা আৰু অমৰনাথ যাত্ৰাৰ বাবে প্ৰস্তুতি সম্পৰ্কে আন এখন উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হৈছিল।

০০০

অভিলেখ ভংগকাৰী ৮৪০টা দাখিলৰ সৈতে মুম্বাই আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ - এমআইএফএফৰ ১৮ সংখ্যক সংস্কৰণত ৰাষ্ট্ৰীয় প্ৰতিযোগিতা শাখাত ৭৭খন ছবিয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। এই চলচ্চিত্ৰ মহোৎসৱত এইবাৰ অভিলেখসংখ্যক ৮৪০ খন চিনেমাই অংশগ্ৰহণ কৰিছে। নতুন পৰিচালকৰ ৩০খন উল্লেখযোগ্য ছবি আৰু ছাত্ৰৰ দ্বাৰা পৰিচালিত ১২ খন চিনেমায়ো প্ৰতিযোগীসকলৰ মাজত নিজৰ স্থান লাভ কৰিছে।

মহোৎসৱৰ শ্ৰেষ্ঠ ভাৰতীয় তথ্যচিত্ৰ ছবিয়ে লাভ কৰিব ৰূপালী শংখ আৰু নগদ ৫ লাখ টকা লাভ কৰিব। আনহাতে, ৩০ মিনিট পৰ্যন্ত দৈৰ্ঘ্যৰ শ্ৰেষ্ঠ ভাৰতীয় চুটি কাহিনী ছবিয়ে ৰূপালী শংখ আৰু ৩ লাখ টকাৰ নগদ পুৰস্কাৰ,  শ্ৰেষ্ঠ ভাৰতীয় এনিমেচন ছবিয়ে ৰূপৰ শংখ আৰু নগদ

৩ লাখ টকা, শ্ৰেষ্ঠ নৱাগত ছবিয়ে লাভ কৰিব ট্ৰফী আৰু নগদ ১ লাখ টকা লাভ কৰিব। শ্ৰেষ্ঠ ছাত্ৰ ছবিয়েও ট্ৰফী আৰু নগদ ১ লাখ টকা লাভ কৰিব। "অমৃত কালত ভাৰত"ৰ শ্ৰেষ্ঠ চুটি ছবিৰ বাবে এটা বিশেষ শিতান কেৱল ভাৰতীয় চলচ্চিত্ৰ নিৰ্মাতাসকলৰ বাবে মুকলি থাকিব আৰু এই বঁটাৰ সৈতে ট্ৰফী আৰু নগদ ১ লাখ টকাৰ পুৰস্কাৰ থাকিব।

এই বছৰ ৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনৰ জুৰীৰ সদস্যসকলৰ ভিতৰত আছে জাৰ্মান চলচ্চিত্ৰ প্ৰযোজক এডেল ছিলমেন চলচ্চিত্ৰ নিৰ্মাতা ড. ববি শৰ্মা বৰুৱা এনিমেটৰ মুঞ্জল শ্ৰফ চলচ্চিত্ৰ প্ৰযোজক অপূৰ্ব বাক্ষী (দিল্লী ক্ৰাইম) আৰু জাৰ্মান চলচ্চিত্ৰ নিৰ্মাতা আন্না হেংকেল-ডনাৰ্ছমাৰ্ক।

০০০

আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ চিৰ এখন খেলত আজি নিউজিলেণ্ড পাপুৱা নিউ গিনিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন নিশা ৮ বজাত আৰম্ভ হ'ব। আনহাতে, ১৯ জুনৰ পৰা প্ৰতিযোগিতাৰ চুপাৰ এইট পৰ্যায়ৰ খেলসমূহ অনুষ্ঠিত হ'ব। ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই গ্ৰুপ এৰ পৰা ইতিমধ্যে চুপাৰ এইটত উপনীত হৈছে।

০০০

সমাপ্ত